ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জামে (কম শব্দত অধিক অৰ্থ প্ৰকাশ কৰিব পৰা) দুআবোৰক বেছি পছন্দ কৰিছিল, ইয়াৰ বাহিৰে অন্যান্য দুআবোৰ এৰিছিল।

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ "ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জামে (কম শব্দত অধিক অৰ্থ প্ৰকাশ কৰিব পৰা) দুআবোৰক বেছি পছন্দ কৰিছিল, ইয়াৰ বাহিৰে অন্যান্য দুআবোৰ এৰিছিল।" [ছহীহ] [(আবু দাঊদ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জামে দুআবোৰ বেছি পছন্দ কৰিছিল। যিবোৰ দুআ কম শব্দত বহুল অৰ্থ প্ৰকাশ কৰে আৰু য'ত দুনিয়া আৰু আখিৰাত উভয়ৰে কল্যাণ নিহিত হৈ আছে। লগতে য'ত আছে আল্লাহৰ প্ৰশংসা, নেক উদ্দেশ্য আদি। ইয়াৰ বাহিৰে অন্যান্য দুআবোৰ পৰিত্যাগ কৰিছিল।

https://sunnah.global/hadeeth/as/show/5886